**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-02-2026 **Time :** 1100 Hrs.

0000000000

বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি বিধানসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ১১ বজালৈ স্থগিত ৰখা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল’গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই বিধানসভাৰ কাম-কাজ ১১ বজালৈ স্থগিত ঘোষণা কৰে। উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৰেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান উত্থাপন কৰা হ’ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ’ব। আজি বিভিন্ন বিভাগৰ প্ৰতিবেদন, সংশোধনী বিধেয়ক উত্থাপন কৰা হ’ব।

~~0000000~~

অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ভৱৰ উদ্বোধন কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উপাধ্যক্ষ ডাঃ নোমল মমিনৰ লগতে আন কেইবাগৰাকী নেতা উপস্থিত থাকে।

0000000

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। সমান্তৰালকৈ বহু নেতা তথা সদস্য দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই আজি দলটোৰ পৰা পদত্যাগ কৰে। অৱশ্যে সদ্যপদত্যাগী বৰাই কোন দলত যোগদান কৰিব সেই কথা সদৰি কৰা নাই। ইপিনে, দলটোৰ বিধায়ক আব্দুল ৰচিদ মণ্ডলে আজি বিয়লি ৰাইজৰ দলত যোগদান কৰিব। কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে কাইলৈ ৰাইজৰ দলত যোগদান কৰাৰ কথা।

0000000

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি দৰং জিলাত ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম স্তৰৰ পৰীক্ষাৰ দ্বিতীয় পৰ্যায় আজিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ’ব। জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সমীপত থকা ই ভি এম গুদাম ঘৰত পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ এই পৰীক্ষণ প্ৰক্ৰিয়া চলিব। ইয়াৰ বাবে ই ভি এম গুদাম ঘৰত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

0000000

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ জিলা আৰু ছেচন আদালতত গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হ’ব। গোচৰটোৰ ৩ জন অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক-পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে আজি ৰায়দান কৰিব। উল্লেখযোগ্য যে বিশেষ তদন্তকাৰী গোটে বেংক একাউণ্ট জব্দ কৰাৰ বিৰোধিতা কৰাৰ লগতে গোচৰৰ যাবতীয় নথি-পত্ৰ লাভ নকৰা বুলি শ্যামকানু মহন্তই আদালতত আবেদন দাখিল কৰিছে। একেদৰে সিদ্ধাৰ্থ শৰ্মাই গোচৰৰ পৰা তেওঁক ৰেহাই দিয়া আৰু ছিংগাপুৰৰ আদালতৰ তথ্য প্ৰদান কৰাৰ বাবে আবেদন

কৰিছে। শেখৰজ্যোতি গোস্বামীয়েও তেওঁক গোচৰটোৰ পৰা ৰেহাই দিয়াৰ বাবে আদালতত নতুনকৈ আবেদন দাখিল কৰিছে। এই আটাইকেইখন আবেদন সন্দৰ্ভত আদালতে আজি শুনানি গ্ৰহণ কৰিব।

০০০০০০০

গোলাঘাটৰ অসম-নাগালেণ্ড সীমান্তৰ চেইনপুৰত কালি নিৰাপত্তাৰ দায়িত্বত থকা চি আৰ পি এফৰ লোকৰ ওপৰত একাংশ নগা দুৰ্বৃত্তই আক্ৰমণ চলায়। সৰুপথাৰ সমজিলাৰ চেইনপুৰত বিবদমান ভূমিত পূৰ্বৰে পৰা বন্ধ হৈ থকা এটা পেট্ৰল পাম্প খোলাৰ চেষ্টা কৰাৰ সময়তে এই অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। অসমৰ ভূমিত নগাই স্থাপন কৰা এই পেট্ৰল পাম্পটো দুয়োখন ৰাজ্যৰ প্ৰশাসনে বন্ধ কৰি ৰাখিছে। কালি একাংশ নগাই অনুমতি অবিহনে ডিপুটো পুনৰ আৰম্ভ কৰিব বিচৰাত চি আৰ পি এফ এ বাধা আৰোপ কৰে। নগা দলটোৰে চি আৰ পি এফৰ ওপৰত আক্ৰমণ চলাই পলায়নৰ চেষ্টা কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। শ্ৰীশ্বাহে অসম ভ্ৰমণৰ প্ৰথম দিনটোত কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ নাতানপুৰ গাঁৱত আয়োজিত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত ২১ ফেব্ৰুৱাৰীত তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৰাইজিং দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। গৃহমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণৰ পূৰ্বে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কালি কাছাৰ জিলাৰ নাতানপুৰৰ অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। এই পৰিদৰ্শনকালত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু বিভাগীয় বিষয়াসকলো উপস্থিত থাকে।

ইপিনে বিধান সভাৰ নিৰ্বাচনৰ দলীয় প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে অহা ১৮ ফেব্ৰুৱাৰীত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও অসম ভ্ৰমণ কৰিব। দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিবলগীয়া শ্ৰীগান্ধীয়ে কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। বিজেপিৰ নৱ-নিৰ্বাচিত সভাপতি নীতিন নবীনো অহা ১৮ ফেব্ৰুৱাৰীত অসমলৈ অহাৰ কথা।

০০০০০০০

মহা শিৱৰাত্ৰি উপলক্ষে কালিৰে পৰা ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাও ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে।

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত কালিৰে পৰা যথা ৰীতি-নীতিৰে আশুতোষৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত কালিৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে। শিৱৰাত্ৰিৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে আজি স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০০০

**সমাপ্ত**